# মাতৃগোট গঠন আৰু কাৰ্যাৱলীৰ নিৰ্দেশনাৱলী

সৰ্বশিক্ষা অভিযান, অসম

প্ৰতিখন বিদ্যালয় সুন্দৰ হ'ব, প্ৰতিগৰাকী শিশু বিদ্যালয়লৈ যাব

অসম সৰ্বশিক্ষা অভিযান মিছন

কাহিলীপাৰা, গুৱাহাটী - ১৯

# মাতৃগোট

প্ৰত্যেক নিম্ন প্ৰাথমিক বিদ্যালয় আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত মাতৃগোট গঠন কৰা হ'ব।

**মাতৃগোটৰ সদস্যা ঃ**

বিদ্যালয়খনৰ সকলোবোৰ শিশুৰ মাকসকল মাতৃগোটৰ সদস্যা হ'ব। ইয়াৰ উপৰি বিদ্যালয়খন অৱস্থিত সংশ্লিষ্ট এলেকাৰ ১৮ বছৰৰ ওপৰৰ বয়সৰ যিকোনো মহিলা মাতৃগোটৰ সদস্যা হ'ব পাৰিব।

## মাতৃগোটৰ গঠন

**সাধাৰণ সমিতি ঃ**

সকলোবোৰ শিশুৰ মাতৃ আৰু বিদ্যালয়খন অৱস্থিত সংশ্লিষ্ট এলেকাৰ ১৮ বছৰৰ ওপৰৰ যিকোনো ছোৱালী বা মহিলা সাধাৰণ সমিতিৰ সদস্যা হ'ব পাৰিব।

**কাৰ্যকৰী সমিতি ঃ**

সাধাৰণ সমিতিৰ ১১ৰ পৰা ২১ গৰাকী সদস্যাক লৈ কাৰ্যকৰী সমিতি গঠন কৰিব লাগিব। সদস্যাৰ সৰ্বমুঠ সংখ্যা বিদ্যালয় আৰু মাতৃগোটৰ প্ৰয়োজন অনুসৰি বঢ়াব পৰা যাব।

**কাৰ্যকৰী সমিতিৰ সদস্যাৰ বাছনি পদ্ধতি ঃ**

গাঁৱৰ সকলো মহিলাৰ ৰাজহুৱা সভা পাতি কাৰ্যকৰী সমিতিৰ সদস্যা নিৰ্বাচন কৰিব লাগিব।

**সভানেত্ৰী ঃ** সভানেত্ৰী এগৰাকী থাকিব আৰু তেওঁক সাধাৰণ সভাত বাছনি কৰা হ'ব। সাধাৰণ সমিতি আৰু কাৰ্যকৰী সমিতিৰ সভাপতি একেগৰাকীয়ে হ'ব।

**সম্পাদিকা ঃ** সম্পাদিকা এগৰাকী থাকিব আৰু তেওঁক সাধাৰণ সভাতে বাছনি কৰা হ'ব। সাধাৰণ সমিতি আৰু কাৰিকৰী সমিতিৰ সম্পাদিক একেগৰাকীয়ে হ'ব।

**সদস্যা ঃ** কাৰ্যকৰী সমিতিত সভানেত্ৰী, সম্পাদিকাক লৈ মুঠ সদস্যাৰ সংখ্যা ১১ৰ পৰা ২১ গৰাকী হ'ব। প্ৰতিটো চুবুৰীৰ পৰা অতি কমেও এগৰাকী সদস্যা লোৱা প্ৰয়োজন। সাধাৰণ সমিতিয়ে কাৰ্যকৰী সমিতিৰ বাবে প্ৰতিটো চুবুৰীৰ পৰা সদস্যা বাছনি কৰিব।

**উপ-সমিতি ঃ** কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ পৰা ৪-৫ গৰাকী সদস্যাক লৈ কোনো বিশেষ কামৰ বাবে উপ-সমিতি গঠন কৰিব পৰা যাব। এগৰাকী আহ্বায়কে উপ-সমিতিখন পৰিচালনা কৰিব। কাৰ্যকৰী সমিতিয়ে এই উপ-সমিতিৰ বাবে সদস্যা বাছনি কৰিব। বিভিন্ন প্ৰকাৰৰ উপ-সমিতিবোৰ হ'ব— স্বাস্থ্য আৰু পৰিপুষ্টি সম্পৰ্কীয় উপ-সমিতি, সামাজিক বিকাশ, কলাকৃষ্টি আৰু বিদ্যালয় উন্নয়ন সম্পৰ্কীয় উপ-সমিতি, আত্মসহায়ক গোট ইত্যাদি। উপ-সমিতিবোৰ অস্থায়ী আৰু ইয়াৰ নিৰ্দিষ্ট কাৰ্যাৱলী সম্পন্ন হোৱাৰ লগে লগে সমিতিখন ভংগ কৰি দিয়া হ'ব। বিদ্যালয়ত, শ্ৰেণী অনুযায়ী উপ-সমিতি বা উপ-মাতৃগোটো গঠন কৰিব পাৰে।

**মাতৃগোটৰ গঠন পদ্ধতি ঃ**

(১) মণ্ডল পৰ্যায়ত গাঁও শিক্ষা সমিতি, চাহ বাগিচা শিক্ষা সমিতি, বিদ্যালয় পৰিচালনা সমিতি আৰু ৱাৰ্ড শিক্ষা সমিতিৰ সভাপতিসকলে মাতৃগোট গঠন সম্পৰ্কে আলোচনা কৰিব আৰু গাঁও পৰ্যায়ৰ সভাৰ বাবে দিন নিৰ্ধাৰণ কৰিব।

(২) গাঁও/ৱাৰ্ড/চাহ বাগিছা পৰ্যায়ত শিক্ষা সমিতিয়ে আৰু বিদ্যালয় পৰিচালনা সমিতিৰ স'তে যুটীয়া সভা পাতি মাতৃগোট গঠনৰ বাবে ৰাজহুৱা সভা আহ্বান কৰিবলৈ দিন আৰু ঠাই নিৰ্ধাৰণ কৰিব। গাওঁ শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতিৰ মহিলা সদস্যাসকলক ৰাজহুৱা সভাখন আহ্বান কৰিবলৈ দায়িত্ব দিয়া হ'ব।

(৩) মাতৃগোট গঠনৰ বাবে এখন সাধাৰণ ৰাজহুৱা সভা আহ্বান কৰা হ'ব। এই সভাত সকলো শিক্ষক আৰু গাওঁ শিক্ষা সমিতি, বিদ্যালয় পৰিচালনা সমিতি, স্থানীয় সংঘ, ক্লাবৰ সদস্যসকলক আমন্ত্ৰণ কৰা হ'ব। অথবা সৰ্বশিক্ষা অভিযানৰ নিৰ্দ্দেশনা অনুযায়ী গঠন কৰা হ'ব।

(৪) সাধাৰণ সভাই মাতৃগোটৰ কাম-কাজৰ বাবে এখন কৰ্ম-আঁচনি যুগুত কৰিব।

(৫) মাতৃগোট গঠনৰ প্ৰতিবেদন মণ্ডল সমল কেন্দ্ৰ সমন্বয়কলৈ পঠাব লাগিব।

## মাতৃগোটৰ কাৰ্য্যকাল ঃ

মাতৃগোটৰ কাৰ্য্যকাল গঠনৰ দিনৰ পৰা ১ (এক) বছৰ।

## মাতৃগোটৰ নিয়মীয়া সভা ঃ

মাতৃগোটে তলত দিয়া ধৰণে নিয়মীয়া সভা অনুষ্ঠিত কৰিব ঃ

(ক) সাধাৰণ সমিতিয়ে তিনি মাহৰ মূৰত এবাৰ সভা পাতিব। এই সভাতে বিগত তিনিমাহৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ উপৰিও পিছৰ তিনিমাহৰ বাবে কৰ্ম আঁচনি প্ৰস্তুত কৰিব।

(খ) কাৰ্য্যকৰী সমিতিয়ে মাহত এবাৰকৈ সভা অনুষ্ঠিত কৰিব। এই সভাতে বিগত মাহৰ কাম-কাজৰ পৰ্য্যালোচনা কৰাৰ উপৰিও পিছৰ মাহৰ বাবে কৰ্ম-আঁচনি প্ৰস্তুত কৰিব।

(গ) প্ৰয়োজন অনুসৰি বিষয়ভিত্তিক অন্যান্য সভা অনুষ্ঠিত কৰা হ'ব।

## প্ৰশিক্ষণ ঃ

শিক্ষা সমিতিৰ প্ৰশিক্ষণতে মাতৃগোটৰ নিৰ্বাচিত সদস্যাক আৰু প্ৰয়োজন সাপেক্ষে বিভিন্ন কাৰ্যক্ৰম সন্দৰ্ভত সদস্যাক প্ৰশিক্ষণ দিয়া হ'ব। তেওঁলোকে প্ৰশিক্ষণৰ বিষয়বস্তুসমূহ নিজৰ গোটৰ অন্যান্য সদস্যাৰ স'তে বিনিময় কৰিব।

## শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতিৰ লগত মাতৃগোটৰ সহযোগিতা ঃ

- মাতৃগোটৰ সভানেত্ৰী আৰু সম্পাদিকাক শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতিৰ নিয়মীয়া সভালৈ মাতিব।
- গাওঁ শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতিয়ে নিজৰ নিজৰ গাওঁ/ৱাৰ্ড/চাহ বাগিছা আৰু বিদ্যালয় পৰ্যায়ত কাম কৰাৰ ক্ষেত্ৰত মাতৃগোটক সহযোগী অনুস্থান হিচাপে গণ্য কৰিব।
- শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতিৰ স'তে সময়ে সময়ে কাৰ্য ৰূপায়ণ সম্পৰ্কিত পৰস্পৰে আলোচনা কৰিব আৰু মাতৃগোটৰ কাম-কাজত সহায়-সহযোগ দিহা-পৰামৰ্শ আগবঢ়াব।

## মাতৃগোটৰ ভূমিকা ঃ

(ক) ঘৰে ঘৰে কৰা জৰীপত অনু পৰিকল্পনা আৰু বিদ্যালয়ৰ মানচিত্ৰ প্ৰস্তুতি আদিত শিক্ষা সমিতিক সহায় কৰিব।

(খ) গাওঁ শিক্ষা পঞ্জীয়ন প্ৰ-পত্ৰ (VER)ৰ তথ্যৰ উন্নীতকৰণ, সংশোধন কৰা আদি কাৰ্যত গাওঁ শিক্ষা সমিতিক সহায় কৰা।

(গ) নিজস্ব পুঁজি গঠন কৰা আৰু পুঁজিৰ ধন বিদ্যালয়ৰ অন্তৰ্গাথনিৰ উন্নতিত খটুওৱা।

(ঘ) বিদ্যালয়ৰ কাম-কাজৰ নিৰীক্ষণ কৰা আৰু বিদ্যালয় গৃহ, শিক্ষক আদিৰ সমস্যা সম্পৰ্কে গাওঁ পঞ্চায়ত আৰু অন্যান্য উৰ্দ্ধতন কৰ্তৃপক্ষক অৱগত কৰোৱা।

(ঙ) পিতৃ-মাতৃ-অভিভাৱকক শিশুৰ নামভৰ্তি আৰু বিদ্যালয়ত দৈনিক উপস্থিতিৰ বাবে সচেতন কৰিবলৈ বিভিন্ন কাৰ্য্যপন্থা হাতত লোৱা।

(চ) বিদ্যালয়ৰ কাম-কাজ যাতে সঠিকভাৱে চলে তাৰবাবে বিদ্যালয় পৰিচালনা সমিতিক সহায় কৰা।

(ছ) শ্ৰেণীকোঠাৰ পাঠদান আৰু শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰাৰ লগতে বিদ্যালয়ৰ অন্যান্য কাৰ্যত শিক্ষক-শিক্ষয়িত্ৰীক সহায় কৰা।

(জ) সংযোগী পাঠ্যক্ৰম গ্ৰহণ কৰি মূলসুঁতিলৈ অহা শিশু আৰু শিক্ষা নিশ্চিতকৰণ আঁচনিৰ কেন্দ্ৰ (আমাৰ পঢ়াশালি) আৰু জ্যোতিকেন্দ্ৰৰ কাম-কাজত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা।

(ঝ) গ্ৰীষ্মকালীন শিবিৰ, নামভৰ্তিকৰণ অভিযানকে ধৰি বিভিন্ন কাৰ্যসূচীৰ ৰূপায়ন।

(ঞ) শিশুৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি নজৰ দিয়া।

(ট) বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা, খোৱা পানী আৰু প্ৰস্ৰাৱগাৰৰ আৰু পেলনীয়া বস্তু পেলাবৰ বাবে পাত্ৰ (ডাষ্টবিনৰ) ব্যৱস্থা কৰা।

(ঠ) ক-শ্ৰেণী চলোৱাত সহায় কৰা।

(ড) বিদ্যালয়ৰ পুথিভঁৰাল চলোৱাত সহায় কৰা।

## মাতৃগোটৰ বিশেষ কাৰ্য্যাৱলী ঃ

**(১) শিশুৰ শ্ৰেণীত নিয়মীয়া উপস্থিতি নিৰীক্ষণ আৰু নিশ্চিতকৰণ ঃ** এখন বিদ্যালয়ৰ শিক্ষাদান যিমানেই গুণগত নহওক লাগে এগৰাকী ছাত্ৰ বা ছাত্ৰী বিদ্যালয়লৈ নিয়মীয়াকৈ নাহিলে তেওঁ বিদ্যায়তনিকভাৱে কেতিয়াও সফল হ'ব নোৱাৰে। আমি জানো যে ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ নিয়মীয়াকৈ নহাৰ বিভিন্ন কাৰণ আছে। বিদ্যালয়ৰ শিক্ষক বা শিক্ষয়িত্ৰীগৰাকীৰ বাবে এই ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়ত নিয়মীয়া উপস্থিতি বা সুচাৰুৰূপে শিকন নিশ্চিত কৰাতো সম্ভৱ নহয়।

মাতৃগোটে এই ক্ষেত্ৰত মুখ্য ভূমিকা ল'ব পাৰে। মাতৃগোটে প্ৰকৃততে কৰিব পৰা কামকেইটা হ'ল -

(ক) মাতৃগোটৰ কাৰ্যকৰী সমিতিয়ে অন্ততঃ সপ্তাহত এবাৰকৈ আলোচনাত মিলিত হ'ব আৰু সপ্তাহটোৰ পৰৱৰ্তী দিনকেইটাত বিদ্যালয়লৈ যাবৰ বাবে দুই-তিনিগৰাকী সদস্যাক দায়িত্ব দিব। এওঁলোকে নিৰ্ধাৰিত দিনকেইটাত বিদ্যালয়লৈ গৈ অনুপস্থিত ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰি অনুপস্থিতিৰ কাৰণ উদঘাটন কৰিব।

(খ) এই সদস্যাসকলে অনুপস্থিত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকক বিশেষকৈ মাকসকলক লগ কৰিব আৰু বিদ্যালয়ত সেই ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ বাবে জনাব।

(গ) সততে বিদ্যালয়ত অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীৰ মাকসকলক মাতৃগোটৰ পৰৱৰ্তী সাপ্তাহিক আলোচনা সভালৈ নিমন্ত্ৰণ জনাব আৰু সভাত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতিৰ কাৰণসমূহ বিতংকৈ আলোচনা কৰিব।

(ঘ) মাতৃগোটৰ সভাপতি আৰু এই দায়িত্ব দিয়া সদস্যাকেইগৰাকীয়ে বিদ্যালয় পৰিচালনা সমিতিৰ মাহেকীয়া সভালৈ যাব আৰু বিদ্যালয়ত সততে অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অনুপস্থিতিৰ কাৰণসমূহ অৱগত কৰিব। বিদ্যালয় পৰিচালনা সমিতিক এই সন্দৰ্ভত ব্যৱস্থা লবলৈ অনুৰোধ জনাব। এক কথাত মাতৃগোটে এই ক্ষেত্ৰত ৰাজহুৱা মতামত সংগঠিতকৰণৰ "হেঁচা প্ৰয়োগকাৰী গোট" হিচাপে কাম কৰা উচিত।

**(২) শিশুৰ শিকন অগ্ৰগতিৰ পৰ্যায় নিৰীক্ষণৰ কাৰণে ঃ**

(ক) বিদ্যালয়ৰ সকলো শিশুৱেই যাতে সাময়িক মূল্যায়নত অংশগ্ৰহণ কৰে মাতৃগোটে তাক নিশ্চিত কৰিব।

(খ) সাময়িক মূল্যায়ন সম্পন্ন হোৱাৰ এসপ্তাহৰ ভিতৰতে মাতৃগোটে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগত আলোচনাত মিলিত হৈ ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক অগ্ৰগতিৰ বুজ ল'ব।

(গ) যি কোনো বিষয়ত চল্লিশ শতাংশতকৈ কম নম্বৰ পোৱা সকলো শিশুৱেই অগ্ৰগতিৰ ক্ষেত্ৰত চিন্তাৰ বিষয়। এই ছাত্ৰ-ছাত্ৰীসকল কিয় অসফল হৈছে তাৰ কাৰণ মাতৃগোটে শিক্ষক-শিক্ষয়িত্ৰীসকলক সুধিব।

(ঘ) অন্যহাতে চল্লিশ শতাংশতকৈ বেছি আৰু ষাঠি শতাংশতকৈ কম নম্বৰ পোৱা শিশুৱে পৰৱৰ্তীকালতো যে বাঞ্চিত ফলাফল প্ৰদৰ্শন কৰিব পাৰিব তাৰ নিশ্চয়তা দিব পৰা নাযায়। এই সন্দৰ্ভতো মাতৃগোটে শিক্ষক -শিক্ষয়িত্ৰীৰ লগত কথা পাতিব।

(ঙ) ধীৰ শিকাৰুৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে কি কি ব্যৱস্থা গ্ৰহণৰ আঁচনি কৰিছে সুধিব আৰু তেওঁলোকে এই ক্ষেত্ৰত স্থানীয়ভাৱে কাৰ পৰা কেনেধৰণৰ সহায় সহযোগিতা বিচাৰে জানি ল'ব।

(চ) ধীৰ শিকাৰুৰ বাবে আয়োজন কৰা নিদানমূলক পাঠদানৰ ক্ষেত্ৰত মাতৃগোটে শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্ভৱপৰ সকলো সহায় সহযোগিতা আগবঢ়াব। এই সহায় সহযোগিতাৰ ক্ষেত্ৰত মাতৃগোটে -

ঃ কম শিক্ষক-শিক্ষয়িত্ৰী থকা বিদ্যালয়ত মাতৃগোটৰ কিছুসংখ্যক সদস্যা উপস্থিত থাকি পাঠদান কাৰ্যত সহায় কৰিব পাৰে।

ঃ ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰলৈ গৈ তেওঁলোকক বিদ্যালয়লৈ অনাৰ ব্যৱস্থা কৰিব পাৰে।

ঃ শিক্ষণ- শিকন সামগ্ৰী প্ৰস্তুত কৰাত শিক্ষক- শিক্ষয়িত্ৰীসকলক সহায় কৰিব পাৰে।

ঃ শ্ৰেণীকোঠাৰ নিয়মানুৱৰ্তিতাকে ধৰি অনুশাসনমূলক দিশসমূহ চোৱাচিতা কৰিব পাৰে!

(৩) **শ্ৰেণীকোঠাৰ পৰ্যবেক্ষণ** ঃ শ্ৰেণীকোঠাত শিশুকেন্দ্ৰিক আৰু কাৰ্যভিত্তিক শিক্ষণ - শিকন পাঠদান হৈ আছে নে নাই পৰ্যবেক্ষণ কৰিব।

অসম সৰ্বশিক্ষা অভিযান মিছনে শ্ৰেণীকোঠাৰ শিক্ষণ - শিকন প্ৰক্ৰিয়া শিশুকেন্দ্ৰিক আৰু কাৰ্যভিত্তিক হোৱাতো নিশ্চিত কৰিবৰ বাবে শিক্ষক - শিক্ষয়িত্ৰীসকলৰ কাৰণে নিয়মীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে। মাতৃগোটৰ সকলো সদস্যাই এই শিক্ষণ - শিকন প্ৰক্ৰিয়ানো কি আৰু কেনে ধৰণৰ তাক জনাতো দৰকাৰ। বাঞ্চিত ধৰণেই যে এটা শ্ৰেণীকোঠাৰ পাঠদান হৈ আছে তাৰো এটা স্পষ্ট ধাৰণা মাতৃগোটৰ সকলো সদস্যাৰে থকা উচিত। এই ক্ষেত্ৰত তলত দিয়া দিশসমূহ পৰ্যবেক্ষণ কৰিব -

(ক) শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক দলগতভৱে বহুৱাইছেনে নাই? ছাত্ৰ-ছাত্ৰীক চাৰি-পাঁচজনীয়া দলত বহুৱাব লাগে আৰু দল গঠন কৰোতে মনত ৰাখিব লাগিব যাতে প্ৰতিটো দলত অতি কমেও এজন ক্ষীপ্ৰ শিকাৰু থাকে। ক্ষীপ্ৰ শিকাৰুজনকে দলনেতা হিচাপে নিৰ্বাচন কৰিব লাগে। শিক্ষক-শিক্ষয়িত্ৰীয়ে শিকনৰ ক্ষেত্ৰত সাল-সলনি অনুভৱ নকৰালৈকে ছাত্ৰ-ছাত্ৰীসকলক সাধাৰণতে দলত বহুৱাব লাগে।

(খ) যদি শিশুসকলক অনুশীলনৰ কাৰণে কাৰ্যকলাপ বা কাম দিয়া হয় -

শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰথমে ছাত্ৰ-ছাত্ৰীক ধাৰণা দি তাৰ পিছতহে কাম দিয়া উচিত; যাক আমি সাধাৰণতে শিশুৰ বাবে কাৰ্যকলাপ বুলি কওঁ। য'ত প্ৰথমে ধাৰণাটো অনুধাৱন কৰিব আৰু দ্বিতীয়তে ধাৰণাটোৰ ওপৰত দক্ষতা আয়ত্বৰ বাবে যিমান পাৰে সিমান অনুশীলনৰ সুযোগ থাকিব।

অন্যহাতে কাৰ্যকলাপসমূহ কৰাৰ বাবে শিশুক যিমান পাৰি সিমান সময় দিয়াটো শিক্ষক-শিক্ষয়িত্ৰীৰ উদ্দেশ্য হোৱা উচিত। শিক্ষক-শিক্ষয়িত্ৰীয়ে বেছিভাগ সময় পৰ্যবেক্ষক আৰু সহায়কাৰী হিচাপেহে কাম কৰা উচিত।

(গ) সঠিকভাৱে কাৰ্যকলাপসমূহ কৰিবলৈ হলে কেইটামান দিশৰ ওপৰত গুৰুত্ব দিব লাগিব - শিশুসকলে কাৰ্যকলাপ কৰাৰ উত্তম উপায়সমূহৰ বিষয়ে মাতৃগোটে জানিবই লাগিব। ইয়াৰ মূল কথাকেইটা হৈছে-

ঃ শিক্ষক-শিক্ষয়িত্ৰীয়ে ধাৰণা ব্যাখ্যা কৰাৰ পাছত শিশুসকলক কিছুমান মূল্যায়নৰ কাৰ্যকলাপ কৰিবলৈ দিব লাগিব।

ঃ প্ৰথমে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক সেই কাৰ্যকলাপটো ব্যক্তিগতভাৱে কৰিবলৈ দিব।

ঃ তাৰ পাছত সেই কাৰ্যকলাপটো দলৰ ভিতৰতে আলোচনা কৰিবলৈ দিব আৰু প্ৰয়োজনীয় শুধৰণি আনিবলৈ দিব।

ঃ যিহেতু কাৰ্যকলাপৰ উত্তৰসমূহ পাঠ্যপুথিতে আছে। গতিকে শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক নিৰ্দ্দিষ্ট পাঠটো পঢ়ি তাৰ পৰা উত্তৰটো বাহিৰ কৰিবলৈ দিব।

ঃ একেবাৰে শেষত ছাত্ৰ-ছাত্ৰীয়ে সন্মুখীন হোৱা সমস্যা আৰু ধাৰণ ক্ষমতাৰ ওপৰত ভিত্তি কৰি শিক্ষক-শিক্ষয়িত্ৰীয়ে পুনৰ ধাৰণাৰ জ্ঞান দিব।

এই প্ৰক্ৰিয়াটো শিক্ষক-শিক্ষয়িত্ৰীয়ে পাৰ্য্যমানে প্ৰতিটো শিকনীয় দিশৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব আৰু ইয়াৰ বাবে প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি ল'ব। মাতৃগোটে পাঠদান প্ৰক্ৰিয়া পৰ্যবেক্ষন কৰাৰ পাছত

বৈ যোৱা ঘাটিসমূহৰ বিষয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ লগত আলোচনা কৰিব।

(৫) শিশুৱে ঘৰত অধ্যয়ন কৰোতে কৰিবলগীয়া কাম -

নিজৰ শিশুটিক ঘৰত বিদ্যায়তনিকভাৱে সহায় কৰা প্ৰতিগৰাকী অভিভাৱকৰ পক্ষে সম্ভৱ নহবও পাৰে; কিন্তু মাতৃগোটে এই ক্ষেত্ৰত অভিভাৱকৰ মাজত সজাগতা অনাৰ ব্যৱস্থা কৰিব লাগিব। যাতে -

ঃ অভিভাৱকসকলে পুৱা-গধূলি অতি কমেও আধাঘন্টা সময় শিশুৰ পঢ়াস্থানত থাকি সেই দিনটোত বা আগদিনা বিদ্যালয়ত কি শিকিলে তাৰ উমান লয়।

ঃ শিশুৱে পঢ়ি থাকোতে সেইস্থানত বহি সেই দিনটোত বা আগদিনা বিদ্যালয়ত কি কি কাৰ্যকলাপ কৰিলে, তাৰে কিছুমান অনুশীলন কৰিবলৈ দিব।

ঃ অন্য একো কৰিব নোৱাৰিলেও বিদ্যালয়ত শিকোৱা পাঠসমূহ এবাৰ বা দুবাৰ জোৰ জোৰকৈ পঢ়িবলৈ দিব।

অভিভাৱকৰ পৰা এনেধৰণৰ সৰু সুৰা আগ্ৰহ দেখা পালে শিশুৰ মাজত অধ্যয়নৰ প্ৰতি ধাউতি আৰু গুৰুত্ব বাঢ়িব।

(৬) শ্ৰেণীকোঠাত পঠনৰ ওপৰত যদি বিস্তৃত গুৰুত্ব প্ৰদান কৰিব বিচৰা হয় - শিক্ষণ -শিকন প্ৰক্ৰিয়াৰ অন্যতম গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে শিশুৰ পঠন ক্ষমতা বৃদ্ধি কৰা। শিক্ষক-শিক্ষয়িত্ৰীয়ে পাৰ্য্যমানে শিশুক শ্ৰেণীকোঠাত সৰবভাৱে পঠন অনুশীলন কৰিবলৈ দিয়াতো দৰকাৰ। মাতৃগোটে প্ৰকৃতাৰ্থত এই কাৰ্য শ্ৰেণীকোঠাত হৈছেনে নাই তাক চাব। এনেধৰণৰ পৰিবেশে অভিভাৱকৰ বাবেও শিশুৰ পঠনৰ ওপৰত গুৰুত্ব বঢ়ায় আৰু তেওঁলোকে যেতিয়া বিভিন্ন কামত বাহিৰলৈ যায়, তেতিয়া নিজৰ শিশুটিৰ বাবে দুই-এখন সাধুকথাৰ কিতাপ কিনি দিয়াৰ বাবেও উদ্বুদ্ধ হয় বা টকাৰো যোগান ধৰে।

(৭) ছাত্ৰ সংসদৰ কামকাজৰ ক্ষেত্ৰত ঃ দৰাচলতে ছাত্ৰ সংসদৰ গুৰুত্ব আমি বৰ্তমান অনুভৱ কৰাতকৈ অনেক গুণ বেছি। এই ব্যৱস্থাৰ জৰিয়তে শিশুসকলক স্বাধীনভাৱে কাম কৰা আৰু চিন্তা কৰি চোৱাৰ সুযোগ দিব বিচৰা হৈছে। মন কৰিবলগীয়া কথা যে ছাত্ৰ-ছাত্ৰীয়ে নিখুঁতভাৱে কাৰ্য সম্পাদন কৰাটো ছাত্ৰ সংসদৰ একমাত্ৰ লক্ষ্য নহয়। ছাত্ৰ সংসদৰ উদ্দেশ্য হ'ল তেওঁলোকক বিভিন্ন ধৰণৰ কাম কৰি চোৱাৰ সুবিধা দিয়া। দলগত কামৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া।

মাতৃগোটে এই ক্ষেত্ৰত উল্লেখযোগ্যভাৱে সহযোগ কৰিব লাগিব যাতে-

ঃ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে সমানে অংশগ্ৰহণৰ সুবিধা পায়।

ঃ তেওঁলোকে যেন যিমান পাৰি ভিন্ন ধৰণৰ কাম কৰি চোৱাৰ সুবিধা পায়।

ঃ ছাত্ৰ-ছাত্ৰীয়ে কাম কৰাৰ ক্ষেত্ৰত যিমান পাৰি সিমান স্বাধীনতা পায়।

ঃ দল গঠন আৰু নেতা নিৰ্বাচনত যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মত প্ৰকাশৰ সুবিধা পায় আৰু তেওঁলোকৰ মতামতে যথোচিত গুৰুত্ব পায়।

ইয়াৰ উপৰিও ছাত্ৰ সংসদৰ গঠন আৰু কাম কাজৰ তদাৰক যেনে প্ৰভাতী অধিবেশনৰ ৰূপায়ন, বিভিন্ন উৎসৱ পাৰ্বন, খেল ধেমালি, প্ৰতিযোগিতা আয়োজনত সহায় কৰিব।

(৮) বিদ্যালয়ৰ বাহিৰত থকা শিশুৰ সঠিক তথ্য সংগ্ৰহৰ ক্ষেত্ৰতঃ

অসম সৰ্বশিক্ষা অভিযান মিছনৰ অন্যতম উদ্দেশ্য হৈছে ৬-১৪ বছৰ বয়সৰ এটিও শিশু যাতে বিদ্যালয়ৰ বাহিৰত নাথাকে তাক নিশ্চিত কৰা। ইয়াৰ বাবে আমি বিশেষ কাৰ্য ব্যৱস্থা লবই লাগিব। সেই কাৰণেই বিদ্যালয়ৰ বাহিৰত থকা শিশুৰ তথ্য সংগ্ৰহ কৰিবই লাগিব।

ইয়াৰ বাবে মাতৃগোটে গাঁও/ ৱাৰ্ড/ চাহ বাগিছা শিক্ষাপঞ্জীৰ সঠিক ৰূপায়ন আৰু ইয়াৰ মাহেকীয়া উন্নীতকৰণত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব।

## পৰ্য্যবেক্ষণ আৰু প্ৰতিবেদন দাখিল ঃ

সংশ্লিষ্ট মণ্ডলৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়কে মাহত এবাৰকৈ মাতৃগোটৰ কাম-কাজ পৰ্যবেক্ষণ কৰিব। মাতৃগোটৰ সভানেত্ৰীয়ে কাৰ্য্যাৱলীৰ প্ৰতিবেদন মণ্ডল সমল কেন্দ্ৰ সমন্বয়কৰ হাতত জমা দিব।